**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব।

২। নতুন দিল্লী মহলে ৰে'ল অপহৰণ কাণ্ডৰ সৈতে ভাৰত জড়িত বুলি পাকিস্তানে উত্থাপন কৰা অভিযোগ ভিত্তিহীন বুলি আখ্যা দিছে।

৩। সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে।

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইউক্ৰেইনৰ সংঘৰ্ষৰ সমাধানৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বিশ্বৰ কেইবাখনো দেশৰ নেতাৰ শলাগ লৈছে।

*আৰু*

৫। ভাৰতৰ ত্ৰিষা জ'লী আৰু গায়ত্ৰী গোপিচান্দ আজি বিয়লি অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব। গৃহমন্ত্ৰীগৰাকী যোৰাহাটৰ পৰা পোনে পোনে গোলাঘাটলৈ যাব আৰু নিশাটো ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা একাডেমীখনৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব। শ্ৰীশ্বাহে পৰহিলৈ কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে অঞ্চলটোত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০০০০

নতুন দিল্লী মহলে ৰে'ল অপহৰণ কাণ্ডৰ সৈতে ভাৰত জড়িত বুলি পাকিস্তানে উত্থাপন কৰা অভিযোগ ভিত্তিহীন বুলি আখ্যা দিছে। পাকিস্তানী পক্ষৰ বিবৃতি সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি কয়, যে নতুন দিল্লী মহলে পাকিস্তানৰ এই ভিত্তিহীন অভিযোগ স্পষ্ট

ভাবে খণ্ডন কৰে। সমগ্ৰ বিশ্বই গোলকীয় সন্ত্ৰসবাদৰ কেন্দ্ৰ ক'ত, এয়া ভালদৰে জানে বুলিও তেওঁ মন্তব্য কৰে। শ্ৰী জয়ছোৱালে কয়, যে পাকিস্তানে নিজৰ অভ্যন্তৰীণ সমস্যা আৰু বিফলতাৰ বাবে আনলৈ আঙুলি টোঁওৱাৰ আৰু আনক জগৰীয়া কৰাৰ পৰিৱৰ্তে আত্মমন্থন কৰা উচিত।

০০০০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। বসন্ত ঋতুৰ আগমণৰ সময়ত পালন কৰা এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ক সূচায় আৰু সমাজত একতা আৰু সমন্বয়ৰ বান্ধোন সুদৃঢ় কৰে। হোলিকা দহনেৰে আৰম্ভ হোৱা এই উৎসৱ সত্য আৰু ন্যায়ৰ জয়ৰ প্ৰতীক স্বৰূপ।

অসমতো কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ্-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইৰ ৰভাতলৰ পৰা উলিয়াই দৌললৈ যাত্ৰা কৰা হ'ব। দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হয়। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ৰঙৰ উৎসৱ ফাকুৱাই আনন্দ আৰু উৎসাহৰ বতৰা কঢ়িয়াই আনে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয়, যে ফাকুৱা অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় আৰু বসন্ত ঋতুৰ আগমণক সূচায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে আনন্দ-উৎসাহৰ এই উৎসৱে সকলোৰে জীৱনলৈ উৎসাহ আৰু উদ্যমৰ নতুন বতৰা কঢ়িয়াই আনিব আৰু দেশবাসীৰ মাজত ঐক্যৰ ৰং গভীৰ কৰি তুলিব।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে আবিৰৰ ৰঙে সকলোৰে মনপ্ৰাণ ৰঙীন কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইউক্ৰেইনৰ সংঘৰ্ষৰ সমাধানৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পকে ধৰি বিশ্বৰ কেইবাখনো দেশৰ নেতাৰ শলাগ লৈছে। বেলাৰুছৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ লুকাছেংকোৰ সৈতে কালি এখন যুটীয়া সংবাদমেলত অংশগ্ৰহণ কৰি শ্ৰী পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতিসহ বিশ্ব নেতাসকলৰ প্ৰয়াসৰ ভূয়সী প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা মাহত হোৱাইট হাইছত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে হোৱা এখন বৈঠকত ৰাছিয়া আৰু ইউক্ৰেইনৰ সংঘৰ্ষৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি নিৰপেক্ষ নহয়, বৰং ভাৰত শান্তিৰ পক্ষতহে আছে বুলি মন্তব্য কৰিছিল। ৰাষ্ট্ৰপতি পুটিনক বৰ্তমানৰ সময় যুদ্ধৰ সময় নহয় বুলি স্পষ্ট কৰি দিয়া বুলিও তেওঁ বৈঠকত প্ৰকাশ কৰিছিল। তেওঁ লগতে ৰাষ্ট্ৰপতি ট্ৰাম্পে এই ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। ইয়াৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰই ৩০ দিনীয়া যুদ্ধ বিৰতিৰ প্ৰস্তাৱ আগবঢ়ায় আৰু বিনা স্বৰ্তে এই প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ ৰাছিয়াৰ প্ৰতি আহ্বান জনায়। ইউক্ৰেইনে এই সপ্তাহৰ আগভাগত ছাউদি আৰৱত হোৱা আলোচনাতক যুদ্ধ বিৰতিৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়াছিল। ৰাষ্ট্ৰপতি পুটিনেও যুদ্ধ বিৰতিৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়াই কেতবোৰ বিষয়ৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ আৱশ্যকতা আছে বুলি মন্তব্য কৰিছিল। ইপিনে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে পুটিনৰ মন্তব্য আশা ব্যঞ্জক বুলি অভিহিত কৰিছে আৰু বিষয়টোক লৈ অধিক আলোচনাৰ প্ৰয়োজন আছে বুলি পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ছিৰিয়াৰ উপকূলীয় অঞ্চলত সংঘটিত ব্যাপক হিংসাক গৰিহণা দি দেশখনৰ অন্তৰৰ্তীকালীন কৰ্তৃপক্ষক জাতি-ধৰ্ম নিৰ্বিশেষে দেশবাসীক সুৰক্ষা দিবৈল আহ্বান জনাইছে বুলি কূটনীতিবিদসকলে প্ৰকাশ কৰিছে।

ৰাছিয়া আৰু আমেৰিকাই খচৰা প্ৰস্তুত কৰা ৰাষ্ট্ৰপতিৰ বিবৃতিটো আজি নিৰাপত্তা পৰিষদৰ মুকলি অধিৱেশনৰ সময়ত আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা হ'ব বুলি কূটনীতিবিদসকলে জানিবলৈ দিছে। ছিৰিয়াৰ মানৱ অধিকাৰ নিৰীক্ষণ কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি যোৱা ৬ মাৰ্চৰ পৰা ছিৰিয়াৰ উপকূলীয় অঞ্চলত ক্ষমতাচ্যুত ৰাষ্ট্ৰপতি বাছাৰ আল আছাদৰ অনুগামী আৰু দেশখনৰ নতুন ইছলামিক শাসকৰ সমৰ্থকৰ মাজত হোৱা সংঘৰ্ষত কমেও এহেজাৰ ৩৮৩ গৰাকী অসামৰিক লোক নিহত হৈছে।

০০০০০০০

ভাৰতৰ ত্ৰিষা জ'লী আৰু গায়ত্ৰী গোপিচান্দৰ যুটীটো আজি বিয়লি বাৰ্মিংহামত অনুষ্ঠিত অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ টেন নিং আৰু লিউ শ্বেংছুঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ত্ৰিষা আৰু গায়ত্ৰীৰ যুটীটোৱে কালি বিয়লি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন সংঘৰ্ষপূৰ্ণ

খেলত দক্ষিণ কোৰিয়াৰ কোং হি য়ং আৰু কিম হয়ে জিয়ঙৰ যুটীটোক ১৫-২১, ২১-১৮, ২১-১৮ গেমত পৰাস্ত কৰে।

ভাৰতৰ আন এগৰাকী খেলুৱৈ লক্ষ্য সেনেও আজি পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ লি শ্বিফেঙৰ সন্মুখীন হ'ব।  লক্ষ্য সেনে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইণ্ডোনেছিয়াৰ জোনাথন ক্ৰিষ্টিক ২১-১৩, ২১-১০ পোনপটীয়া গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

মুম্বাই ইণ্ডিয়ানছ কাইলৈ মুম্বাইত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। মুম্বাই ইণ্ডিয়ানছে যোৱানিশা মুম্বাইত অনুষ্ঠিত এলিমিনেটৰ খেলখনত গুজৰাট জায়েণ্টছক ৪৭ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। খেলখনত মুম্বাই দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান কৰে। মুম্বাইৰ হৈ হিলি মেথিউজে  আৰু চাইবাৰ ব্ৰণ্ট উভয়ে ৭৭ ৰানকৈ কৰে। প্ৰত্যুত্তৰত গুজৰাট জায়েণ্টছে ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হিলি মেথিউজে তিনিটা উইকেট দখল কৰে। মেথিউজক প্লেয়াৰ অব্ দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

**সমাপ্ত**